**ইণ্ডিয়া ফাউণ্ডেশ্যন ফৰ দ্য আৰ্টছ** (আই.এফ.এ.)ৰ তৰফৰ পৰা

**কলা গৱেষণা (Arts Research)** কাৰ্য্যসূচীৰ বাবে

আবেদন বিচাৰি আহ্বান

**আবেদন দাখিলৰ অন্তিম তাৰিখ : ১০ আগষ্ট, ২০২৬**

এই আহ্বান আন আন ভাৰতীয় ভাষাত পঢ়িবলৈ ইয়াত ক্লিক্ কৰক

২০২৫ চনত পুনৰাৰম্ভ কৰা কলা গৱেষণা কাৰ্যসূচীয়ে শিল্পকৰ্ম অনুশীলনৰ ভিন্ন আৰু নমনীয় পদ্ধতিৰ গৱেষণামূলক দৃষ্টিভংগীক স্বীকৃতি দিয়াৰ প্ৰতি আগ্ৰহী। এই কাৰ্য্যসূচীৰ অধীনত আমি সৃষ্টিশীল, পাণ্ডিত্যপূৰ্ণ আৰু/অথবা সাংস্কৃতিক অনুশীলনৰ পৰা সৃষ্ট অন্বেষণ আৰু ন চিন্তাৰে সমৃদ্ধ প্ৰকল্প ৰূপায়ণ কৰোঁ। ভাৰতৰ ইতিহাস সম্পৰ্কে বৈচিত্ৰময় দৃষ্টিভংগী আৰু শৈল্পিক অনুশীলনৰ ক্ষেত্ৰত থকা ভিন্ন প্ৰকাশভংগীৰ অনুসন্ধান, পাৰস্পৰিক আদান-প্ৰদান, চিন্তা-চৰ্চা আৰু পৰীক্ষা-নিৰীক্ষাৰ যোগেদি তাক উন্মোচিত কৰাৰ উদ্দেশ্যে এই কাৰ্য্যসূচী।

এই কাৰ্য্যসূচীৰ অধীনত হ'বলগীয়া গৱেষণাক আমি তলত দিয়া কথাৰে বুজিব পাৰো:

১) এই গৱেষণা এনে এক প্ৰকৃতিৰ অনুশীলন, য'ত কলাৰ ক্ষেত্ৰখনত গৱেষণাক নকৈ জুকিয়াই চাই আগবঢ়াই নিয়া হয়। ন ন পদ্ধতিৰে কলা চৰ্চাৰ পৰিৱেশ এটা গঢ়ি তুলিব পৰাকৈ সংজ্ঞাও ন-নিৰ্ধাৰিত কৰা হয়। পৰীক্ষণক গুৰুত্ব সহকাৰে বিবেচনা কৰা অধ্যয়নত আমি উদগনি যোগাও। গৱেষণাক কেৱল নথিপত্ৰৰ মাজত সীমাবদ্ধ নাৰাখি তাৰ উৰ্ধলৈ লৈ যোৱাটো বিচাৰো। লগতে কলা গৱেষণা কোনে কৰিব পাৰে, কোটো বিষয় গৱেষণাৰ বাবে তাৎপৰ্যপূৰ্ণ হৈ পৰে আৰু কেনেকৈ - তাক লৈ প্ৰশ্ন উদ্ৰেককাৰী চিন্তা-চৰ্চাৰে সমৃদ্ধ অধ্যয়ন আমাৰ কাম্য।

২) পদ্ধতিসমূহৰ বিষয়ে নতুনকৈ চিন্তা কৰা। গৱেষণা য'ত শৰীৰ, প্ৰযুক্তি, ব্যক্তিগত বিৱৰণ, স্মৃতি, অভিজ্ঞতা, সম্পৰ্ক আৰু কল্পনাৰ মাধ্যেমেৰে চিন্তা-ভাবনাৰ মৌলিক পন্থাৰ যোগেদি নতুন ধাৰণামূলক দৃষ্টিকোণৰ উদ্ভাৱনৰ থল থাকে।

৩) এয়া ব্যক্তিৰ সৃষ্টিশীল/শৈল্পিক/সাংস্কৃতিক অনুশীলনৰ পোনপটীয়া অনুসন্ধান। আমি এনে গৱেষণা প্ৰক্ৰিয়া অন্বেষণত আগ্ৰহী যিটো ইচ্ছা-নিৰপেক্ষ। এনে গৱেষণা য'ত ব্যক্তিয়ে নিজৰ বা আনৰ কলা অনুশীলনক সমালোচনামূলক, অনুসন্ধিৎসু আৰু নতুনক আদৰি লোৱা প্ৰকৃতিৰ চিন্তাৰে জৰিত হয়।

৩) কলাক প্ৰতিনিধিত্ব কৰা প্ৰচলিত ধাৰা আৰু ৰূপৰ প্ৰতি প্ৰশ্ন উদ্ৰেক কৰা। ভাৰতৰ ইতিহাস, সাংস্কৃতিক ঐতিহ্য আৰু শৈল্পিক অনুশীলনক পুনৰীক্ষণ কৰিব পৰা বৈচিত্ৰময় দৃষ্টিভংগী প্ৰদান কৰা গৱেষণা। এই গৱেষণাক সামূহিক অংশগ্ৰহণৰ প্ৰসংগত চাব পাৰি য'ত শিল্প আৰু প্ৰাসংগিক ক্ষেত্ৰসমূহৰ ইতিহাসক ন-দৃষ্টিৰে চোৱা হওঁক আৰু ভৱিষ্যতৰ শৈল্পিক প্ৰক্ৰিয়া কেনে হ'ব পাৰে, তাৰ অন্বেষণ কৰা হওঁক।

৪) এই গৱেষণা হ'ব পাৰে উপান্ত কণ্ঠক তুলি ধৰাৰ এক মাধ্যম, যিটোৱে নতুন ভাষা, শব্দ-সম্ভাৰ আৰু স্থানীয় সমলৰ সৃষ্টি কৰিব পাৰে। 'উপান্ত' বা 'প্ৰভুত্বশীল' কিহে কৰি তোলে, তাকো পুনৰ্মূল্যায়ন কৰাটো এই গৱেষণাৰ অংশ হ'ব পাৰে।

৫) এই গৱেষণা হ'ব পাৰে শৈল্পিক বিনিময়। বিভিন্ন শাখা আৰু শৈল্পিক ৰূপ (যেনে কলা আৰু বিজ্ঞান, কলা আৰু দৰ্শন, কলা আৰু ডিজিটেল মিডিয়া, তত্ত্ব আৰু অনুশীলন)ৰ মাজত অৰ্থপূৰ্ণ বিনিময়ক প্ৰাধান্য দিয়া প্ৰকল্প

ৰূপায়ণ কৰিব বিচাৰো। শৈল্পিক আৰু গৱেষণা প্ৰক্ৰিয়া, তত্ব, সংস্কৃতি, শিল্পকলাৰ সৈতে জৰিত গোট বা সমূহ আৰু প্ৰযুক্তিৰ মাজত নতুন ৰূপৰ সহযোগিতা আৰু সহযোগৰ নতুন প্ৰণালী সাধনত জৰিত হ'ব খোজা গৱেষকক আমি আদৰিছো।

৬) এনে প্ৰকৃতিৰ অনুবাদ যাক গৱেষণাৰ অন্তৰ্ভুক্ত কৰিব পাৰি। আমি এনে ব্যক্তিৰ পৰা প্ৰকল্প প্ৰস্তাৱ বিচাৰিছো যিয়ে অনুবাদৰ অনুশীলনৰ ক্ষেত্ৰত নতুন কথোপকথনৰ অন্বেষণত আগ্ৰহী, বহুভাষিক দৃষ্টিভংগীৰ সৈতে পৰীক্ষণ কৰিব বিচাৰে আৰু/অথবা অনুবাদৰ সাংস্কৃতিক মূল্য অধ্যয়ন কৰিব বিচাৰে।

**এই নিৰ্দিষ্টকৃত ক্ষেত্ৰৰ বাহিৰৰ যিকোনো ধাৰণা যিয়ে কলাৰ গৱেষণাৰ ক্ষেত্ৰত ধ্যান-ধাৰণাৰ বিস্তৃতি ঘটাব পাৰে, তেনে প্ৰস্তাৱ আমি আদৰিছো।**

## প্ৰকল্পৰ সময়সীমা :

অতিকমেও এবছৰ আৰু সৰ্বাধিক ১৮ মাহ

## বাজেট:

আপুনি **৫,০০,০০০/- টকালৈ** বাজেট কৰিব পাৰে। আপুনি প্ৰস্তাৱিত বাজেটৰ ৩৫ শতাংশলৈ মাননিৰ বাবে অনুৰোধ জনাব পাৰে। (অনুগ্ৰহ কৰি ইনষ্টিটিউচনেল অভাৰহেড মানে প্ৰতিষ্ঠানৰ সাধাৰণ শিতানত হোৱা নৈমিত্তিক খৰচ, ভৱন নিৰ্মাণৰ ব্যয়, বা আন্তঃগাঁথনিমূলক উন্নয়ন সাঙুৰি বাজেট নকৰিব। বাজেটে কোনো সঁজুলি ক্ৰয়ৰ বাবেও অনুমতি নিদিয়ে, কিন্তু আপুনি যদি প্ৰকল্পৰ বাবে সঁজুলি ক্ৰয় কৰিব লাগে, তেন্তে সেয়া প্ৰকল্প সম্পূৰ্ণ হোৱাৰ পিছত আই.এফ.এ.ক উভতাই দিব লাগিব)।

## কোনে আবেদন কৰিব পাৰে?

গৱেষক, পেচাজীৱী গৱেষণা কৰ্মী, শিল্পক্ষেত্ৰৰ সক্ৰিয় কৰ্মী, কিউৰেটৰ, অনুবাদক, শিল্প ক্ষেত্ৰখনৰ শিক্ষক, লেখক, দাৰ্শনিক, গে'মাৰ বা যিকোনো ব্যক্তি যিয়ে গৱেষণা আৰু অনুশীলনৰ মাজত নিজকে ৰাখি আগবঢ়াত আগ্ৰহী।

## দাখিলৰ ক্ষেত্ৰত পৰামৰ্শৱলী:

- চূড়ান্ত প্ৰকল্প আমালৈ পঠিওৱাৰ পূৰ্বে প্ৰকল্পৰ অনুৰোধ সম্পৰ্কত আৰু প্ৰকল্পৰ ধাৰণা সম্পূৰ্ণ কৰি তোলাৰ ক্ষেত্ৰত কিবা সুধিবলগীয়া থাকিলে বা আলোচনা কৰাৰ ক্ষেত্ৰত আমি আগ্ৰহী। তাৰবাবে আপুনি মেইলৰ চাবজেক্ট লাইনত Project Proposal for Arts Research বুলি লিখি কলা গৱেষণাৰ প্ৰগ্ৰাম অফিছাৰ হৰ্ষিতা বথৰাললৈ harshita@indiaifa.org মেইল ঠিকনাত **২০২৬ৰ ১১ জুলাইৰ পূৰ্বে** লিখি পঠিয়াওক।
- আপুনি ইংৰাজীকে ধৰি যিকোনো ভাৰতীয় ভাষাত আপোনাৰ প্ৰকল্প প্ৰস্তাৱ লিখিব পাৰে।
- প্ৰকল্পৰ প্ৰস্তাৱত গৱেষণা প্ৰশ্ন, প্ৰস্তাৱিত লক্ষ্য, নিজ অনুপ্ৰেৰণা আৰু জৰিত অংশীদাৰৰ ক্ষেত্ৰত স্পষ্টতা থাকিব লাগিব।
- আমি এনে প্ৰকল্পৰ ধাৰণা আবেদকে প্ৰস্তুত কৰাটো বিচাৰো যাৰ ফলাফল বা প্ৰক্ৰিয়া ৰাজহুৱা মঞ্চত ভাগ-বতৰা কৰিব পাৰি। এনে ফলাফল বা প্ৰক্ৰিয়া পাঠভিত্তিক (টেক্সুৱেল), দৃশ্যগত, পৰিৱেশনমূলক, কিউৰেটৰিয়েল, শিক্ষা-বৈজ্ঞানিক (পেডাগজিকেল), স্থানগত (স্পেচিয়েল), সামগ্ৰী, তথ্যচিত্ৰ, চনিক, ডিজিটেল, বা যিকোনো আন সাংস্কৃতিক পদক্ষেপ হ'ব পাৰে। প্ৰকল্প বহল আৰু বৈচিত্ৰময় পাঠকৰ ক্ষেত্ৰত সুগম্য আৰু অৰ্থপূৰ্ণ হ'ব লাগিব আৰু সমাজৰ বিভিন্ন বৰ্গৰ পাঠকৰ ক্ষেত্ৰত প্ৰাসংগিক হ'ব লাগিব।
- আপোনাৰ অৰ্হতাপত্ৰ, পুঁজি কেনেদৰে ব্যৱহৃত হ'ব তাৰ ব্যাখ্যাসহ **বাজেটৰ বিশদ বিৱৰণৰ** সৈতে চুড়ান্ত প্ৰকল্প প্ৰস্তাৱ **১০ আগষ্ট, ২০২৬ৰ নিশা ১২ বজাৰ (August 10, 2026, 11:59 PM (IST) আগেয়ে** লৈ এটা মেইলৰ

ভিতৰতে আটাইখিনি সামৰি harshita@indiaifa.org-লৈ মেইল কৰক। মেইলৰ চাইজ ২৫ এমবি-ৰ বেছি হ'ব নালাগিব।

## যোগত্যাৰ চৰ্তাৱলী

- কেৱল ভাৰতীয় নাগৰিকে আবেদন কৰিব পাৰিব। এইক্ষেত্ৰত ভাৰতীয় মূলৰ ব্যক্তি আৰু প্ৰৱাসী ভাৰতীয় নাগৰিক পত্ৰ থকা ব্যক্তিৰ আবেদন বিবেচনা কৰা নহ'ব।
- আবেদনকাৰীৰ পেন কাৰ্ড থাকিব লাগিব আৰু ভাৰতীয় পাৰপত্ৰ, বা আধাৰ কাৰ্ড বা ভাৰতীয় ভোটাৰ পৰিচয় পত্ৰ, এই তিনিখনৰ কোনোবা এখন পৰিচয় পত্ৰ হিচাপে দিব লাগিব।
- কেৱল ব্যক্তিয়েহে আবেদন কৰিব পাৰিব। কোনো ধৰণৰ অনুষ্ঠান বা সংস্থাই নোৱাৰিব।
- প্ৰকল্পত যদি কোনো সহযোগী থাকে, সেইজনো ভাৰতীয় নাগৰিক হ'ব লাগিব।
- আই.এফ.এ.ৰ সৈতে পূৰ্বতে বিত্তীয় লেনদেনত খেলিমেলি থকা ব্যক্তি এই প্ৰকল্পৰ বাবে বিবেচনা কৰা নহ'ব।
- পূৰ্বৰ আই.এফ.এ. অনুদানৰ দ্বাৰা সমৰ্থিত প্ৰকল্পৰ ক্ষেত্ৰত দাখিল কৰিবলগীয়া কোনো প্ৰদেয় যদি আগতে কোনো ব্যক্তিয়ে দিয়াত অপাৰগ হৈছিল, তেনে ব্যক্তিক এই প্ৰকল্পৰ বাবে বিবেচনা কৰা নহ'ব।
- পূৰ্বতে আই.এফ.এ.য়ে পূৰ্বতে নাম প্ৰত্যাখ্যান কৰা পত্ৰ লাভ কৰা ব্যক্তিয়ে কোনো কাৰণত এই প্ৰকল্পৰ বাবে বিবেচনা কৰা নহ'ব।
- আই.এফ.এ.ৰ অধীনত বৰ্তমান প্ৰকল্প ৰূপায়ণত জড়িত হৈ থকা ব্যক্তিৰ আবেদন বিবেচনা কৰা নহ'ব।
- একাধিক ব্যক্তিয়ে আবেদন কৰিব পাৰিব যদিহে তেওঁলোকৰ যুটীয়া খাতা আছে। যদি নাই, তেনেহ'লে তেওঁলোকৰ মাজৰ এজনে আনজনক সহযোগী হিচাপে লৈ আবেদন কৰিব।

## নিৰ্বাচন প্ৰক্ৰিয়া :

বিবেচিত প্ৰাৰ্থীৰ প্ৰস্তাৱসমূহ বাহ্যিক পেনেলে মূল্যায়ন কৰিব। আবেদনকাৰীয়ে পেনেলৰ সন্মুখত নিজৰ প্ৰকল্পৰ ধাৰণা উপস্থাপন কৰিবলগীয়া হ'ব পাৰে। ৰূপায়ণৰ বাবে নিৰ্বাচিত প্ৰকল্পসমূহ ২০২৫ (২০25) চনৰ নৱেম্বৰ মাহত ঘোষণা কৰা হ'ব।

মন কৰিব যে অসম্পূৰ্ণ প্ৰস্তাৱ আৰু অৰ্হতাৰ মাপকাঠীৰ ভিতৰত নপৰা প্ৰাৰ্থীৰ প্ৰস্তাৱ গ্ৰহণ কৰা নহ'ব। নিৰ্বাচিত সকলো প্ৰকল্প আই.এফ.এ.-ৰ দ্বাৰা ৰূপায়ণ কৰা হ'ব।

## গুৰুত্বপূৰ্ণ তাৰিখসমূহ:

- প্ৰকল্পৰ ধাৰণা সম্পৰ্কে আলোচনা/অনুসন্ধান বা প্ৰশ্নৰ বাবে সময়সীমা: ১১ জুলাই, ২০২৬
- চূড়ান্ত প্ৰকল্প দাখিলৰ তাৰিখ: ১০ আগষ্ট, ২০২৬
- নিৰ্বাচিত প্ৰকল্পৰ ঘোষণা: নৱেম্বৰ, ২০২৬
- প্ৰকল্পৰ আৰম্ভণি: জানুৱাৰী, ২০২৭ (সলনি হ'ব পাৰে)

**আই.এফ.এ.য়ে ইংৰাজীকে ধৰি আন আন ভাৰতীয় ভাষাত প্ৰকল্প ৰূপায়িত কৰাৰ বাবে বিশেষভাৱে আগ্ৰহী যাতে বিভিন্ন ভাৰতীয় ভাষাত গৱেষণা সমৃদ্ধ হয়।**

**অনুগ্ৰহ কৰি মন কৰিব যে শিশুকে ধৰি সকলোৱে সমান সমৰ্থন, সন্মান আৰু সুৰক্ষা লাভ কৰিব পৰা এক নিৰাপদ পৰিৱেশ সৃষ্টিৰ বাবে আই.এফ.এ. সদায়েই প্ৰতিশ্ৰুতিবদ্ধ। আবেদনকাৰীয়ে এই দিশসমূহৰ প্ৰতি সততে লক্ষ্য ৰাখিব লাগিব আৰু তেনে দৃষ্টিভংগী অক্ষুণ্ণ ৰাখিব লাগিব।**

***